**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2024 **Time :** 1205 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ছদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়া ব্ৰাজিল আৰু গায়ানালৈ যাব। ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী শ্ৰীমোদী নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি ব'লা আহমেদ টিনুবুৰ আমন্ত্ৰণ মৰ্মে নাইজেৰিয়াত উপস্থিত হ'ব। বিগত ১৭ বছৰত এয়া হ'ব কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো নাইজেৰিয়া ভ্ৰমণ। এই দুদিনীয়া নাইজেৰিয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে দেশখনৰ শীৰ্ষ নেতৃত্বৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ পৰ্যালোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰীমোদী ১৮ নৱেম্বৰত ব্ৰাজিলৰ ৰিঅ' ডি জেনেইৰ'ত আয়োজন কৰা জি-২০ শীৰ্ষ সন্মিলনত ভাগ ল'ব। ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে ভাৰত হৈছে জি-২০ ট্ৰয়কাৰ অংশ আৰু বৰ্তমান চলি থকা জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত ভাৰতে সক্ৰিয়ভাৱে অৱদান আগবঢ়াইছে। ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ১৯ ৰ পৰা ২১ নৱেম্বৰলৈ গায়ানা ভ্ৰমণ কৰিব।

০০০০০

আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি গোলাঘাট, তিনিচুকীয়া, ধুবুৰীকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়াত জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা আৰু জাৰ্নেলিষ্ট ইউনিয়ন অব্ আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে প্ৰেছ দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে জিলা আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপে সাংবাদিকৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত মূল আলোচনাচক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হয়।

একেদৰে গোলাঘাটতো জিলা প্ৰশাসনৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিভাগে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰিছে। গোলাঘাট আৰ্বত ভৱনৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বাণী 'সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ' শীৰ্ষক এখন আলোচনাচক্ৰৰো আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে ৰাজ্যিক ভিত্তিত বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰিছে। দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু

প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড° কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

ইপিনে গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত এই উপলক্ষে আজি 'গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা' শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই বক্তৃতা আগবঢ়াব বিশিষ্ট লেখক, সাংবাদিক অৰূপ কুমাৰ দত্তই।

ধুবুৰীতো জিলাভিত্তিক বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰা হৈছে। ধুবুৰী জিলা প্ৰশাসন আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ যৌথ উদ্যোগত এই দিৱস জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ সভাকক্ষত আয়োজন কৰা হৈছে। বিলাসীপাৰা মহকুমা প্ৰশাসন আৰু বিলাসীপাৰা প্ৰেছ ক্লাবৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰে এই দিসৱ উদযাপনৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

কুষ্ঠ ৰোগক নিৰ্মূলকৰণৰ লক্ষ্যৰে ধুবুৰী জিলাত স্বাস্থ্য বিভাগে এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ধুবুৰী জিলা কুষ্ঠ ৰোগ বিষয়া ডা০ নাট্যবীৰ দাসে জানিবলৈ দিয়ে যে অহা ২০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণৰ কাৰ্যসূচী হিচাপে ধুবুৰী জিলাত কুষ্ঠ ৰোগী চিনাক্তকৰণ অভিযান আৰম্ভ কৰা হ'ব। এই অভিযামৰ বাবে আশাকৰ্মীসকলক প্ৰশিক্ষণ দি থকাৰ লগতে কুষ্ঠ ৰোগীৰ চিনাক্তকৰণৰ বাবে তেওঁলোকক জিলাখনৰ গাঁৱে গাঁৱে নিয়োগ কৰা হ'ব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। জিলাখনত চলিত বৰ্ষত ১৭জনকৈ নতুন কুষ্ঠ ৰোগী চিনাক্ত কৰা হৈছে আৰু তেওঁলোকক ইতিমধ্যে ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ পৰা চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত কালিৰে পৰা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। উজনিৰ পৰা নামনিলৈ মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত মানৱ ৰাসৰ ভক্তিৰস আৰু আধ্যাত্মিকতাই জনসাধাৰণক আপ্লুত কৰিছে। প্ৰতি বছৰে শৰতৰ পূৰ্ণিমাৰ নিশাৰ পৰা বৃন্দাবন, মথুৰাকে ধৰি আন বিভিন্ন স্থানৰ লগতে অসমতো শ্ৰী শ্ৰীকৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা উদযাপন কৰি অহা হৈছে। ৰাস উপলক্ষে সত্ৰনগৰী মাজুলীতো উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। নদীদ্বীপ মাজুলীত কালিৰে পৰা তিনি-চাৰি দিনীয়া কাৰ্যসূচীৰে ৬৫ খন মঞ্চত শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। জল পৰিবহন বিভাগে যাত্ৰীসকলক সুকলমে মাজুলীলৈ যাব পৰাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

বৰপেটা সত্ৰৰ কৰাপাটৰ সন্মুখত ৰাস মহোৎসৱ পালন কৰা হৈছে। ৰাস নৃত্যত গোপ-গোপীসকলে নৃত্য-গীতেৰে বৃন্দাবন সদৃশ পৰিৱেশ সৃষ্টি কৰে। উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ আইসকলে পৰম্পৰাগতভাৱে সত্ৰখনত ৰাস পূৰ্ণিমা পালন কৰি আহিছে।

০০০০০

ইটালীৰ টুৰিণত চলি থকা এ টি পি ফাইনেলত কালি সন্ধিয়া অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ খেলত ভাৰতৰ ৰোহন বুপান্না আৰু তেওঁৰ সহযোগী অষ্ট্ৰেলিয়াৰ মেথিও ইবডেনৰ যুটিটোৱে জাৰ্মান যুটি কেভিন ক্ৰৱিটজ আৰু টিম পুৰেটজক ৭-৫, ৬-৭, ১০-৭ গেমত পৰাস্ত কৰে। অৱশ্যে বুপান্না আৰু ইবডেনৰ যুটিয়ে ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হয়। ০০০০০